**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অসম ডনবস্কʼ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান' শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপণৰ ক্ষণ গণনা আৰম্ভ।

২। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ।

৩। উত্তৰ গুৱাহাটীৰ ৰংমহলত নিৰ্মাণ হʼবলগীয়া গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভৱন এখন নতুন আৰু আধুনিক অসমৰ পৰিচয় হʼব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। কাইলৈ মাঘ বিহুৰ উৰুকাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি। বিভিন্ন প্ৰান্তত ভোগালী মেলাৰ আয়োজন।
**আৰু**

৫। বড়োডৰাত যোৱা নিশা নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতৰ ৪ উইকেটত জয়লাভ।

০০০০০০

অসম ডনবস্কʼ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-ৱান' আজি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপনৰ ক্ষণ গণনা আৰম্ভ হৈছে। আজি দিনৰ ১০ বাজি ১৭ মিনিটত মহাবীৰ লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰা কৃত্ৰিম উপগ্ৰহটোৰ উৎক্ষেপন কৰাৰ লগে লগে অসম কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰা ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হʼব। এই ঐতিহাসিক ক্ষণৰ বাবে সুদীৰ্ঘ পাঁচবছৰ ধৰি নিৰৱচ্ছিন্নভাৱে গৱেষণা চলাই অহা হৈছিল। এই কৃত্ৰিম উপগ্ৰহটোৱে কক্ষপথত স্থাপনৰ এমাহৰ পাছত বায়ুমণ্ডলীয় আৰু পৰিৱেশগত তথ্য সংগ্ৰহ কৰি পৃথিৱীলৈ প্ৰেৰণ কৰিব। ইয়াৰ বাবে ডনবস্কʼ বিশ্ববিদ্যালয় চৌহদত ইতিমধ্যে 'আৰ্থ ষ্টেচন' স্থাপন কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ তত্বাৱধানত প্ৰশিক্ষিত গৱেষক ছাত্ৰৰ দলে এই নিয়ন্ত্ৰণ কক্ষ পৰিচালনা কৰিব। এই সন্দৰ্ভত অসম ডনবস্কʼ বিশ্ববিদ্যালয়ৰ INDIAN INDEGENIOUS KNOWLEDGE SYSTEM বিভাগৰ সঞ্চালক ডং দীনেশ বৈশ্যই এইদৰে কয় –

বাইট

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হʼব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হʼব।

০০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত নিৰ্মাণ হʼবলগীয়া গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱন এখন নতুন আৰু আধুনিক অসমৰ পৰিচয় হʼব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই নতুন চৌহদে ন্যায় ব্যৱস্থাৰ বৰ্ধিত প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে

ন্যায়িক আন্তঃগাঁথনি উন্নয়নৰ দিশত এই নতুন চৌহদৰ নিৰ্মাণ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ ন্যায়িক খণ্ডৰ উত্তৰণৰ দিশত নতুন দিগন্তৰ সূচনাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে কালি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে। দুটা পৰ্যায়ত মুঠ এহেজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষে ১৪৮ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই আদালত চৌহদত উচ্চ ন্যায়ালয় ভৱন, অধিবক্তাৰ ভৱন আৰু উচ্চ ন্যায়ালয়ৰ কাৰ্যালয় ভৱন, কামৰূপ আৰু কামৰূপ মহানগৰ জিলা আদালতকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। এই নতুন ভৱনত প্ৰথমতে ৩১টা আদালত কক্ষ থাকিব, য'ত অধিবক্তা আৰু গোচৰীয়া সকলোৰে বিচাৰ প্ৰক্ৰিয়া চাব পাৰিব। তদুপৰি অধিবক্তাৰ বাবে ৩০০টা চেম্বাৰ আৰু দুহেজাৰ অধিবক্তা বহিব পৰা স্থানৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰংমহলৰ পথটোৰে জিলা আদালতৰ প্ৰয়োজনীয়তা পূৰণ কৰিব আৰু উচ্চ ন্যায়ালয়ৰ বাবে এটা চাৰিলেনযুক্ত পথ নতুনকৈ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই সভাতে অহা ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা দলংখন উদ্বোধন কৰিব বুলি সদৰি কৰে।

ইপিনে, ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপনৰ দিনাও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনে অনশন কাৰ্যসূচী অব্যাহত ৰাখে। যোৱা ৮ জানুৱাৰীৰ পৰা বাৰ এছ'চিয়েচনে উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি অনশন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। গুৱাহাটী উকিল সন্থাইও কালি এই স্থানান্তৰ প্ৰক্ৰিয়াৰ বিৰোধিতাৰে আদালত চৌহদত অনশন কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০০০

সদৌ অসম চুতীয়া জাতি সন্মিলনৰ উদ্যোগত আৰু চুতীয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত তিতাবৰৰ জালুকনিবাৰী বীৰপাল ক্ষেত্ৰত অনুষ্ঠিত চুতীয়া সাংস্কৃতিক আৰু জনগোষ্ঠীয় সমাৰোহত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ অতি প্ৰাচীন জাতি চুতীয়াসকলৰ সোণালী ইতিহাস, গৌৰৱময় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতিফলনেৰে আয়োজন কৰা এই অনুষ্ঠানত ভাগ লৈ তেওঁ অতিশয় আনন্দিত হৈছে। বহু ঐতিহাসিক ঘটনাৰাজি আৰু বীৰ বীৰাংগনাৰ কালজয়ী গাথাঁৰে চুতীয়া জাতিৰ ইতিহাস পৰিপূৰ্ণ হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ ধাৰক আৰু বাহক চুতীয়া জাতি প্ৰচুৰ সম্ভাৱনাৰে ভৰপূৰ।

**বাইট (চি এম)**

অনুষ্ঠানত অংশ লৈ মন্ত্ৰী বিমল বৰাই ৰাজ্যৰ সৰ্বাংগীণ উন্নয়নত চুতীয়া জনগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উত্তৰণৰ বাবে মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহতো আলোকপাত কৰে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজান বজাৰৰ সতী ৰাধিকা শান্তি উদ্যানত অনুষ্ঠিত অসমী ভোগালী মেলাৰ কালি সামৰণি পৰে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত ভোগালী মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে।

রাজ্যৰ আন আন জিলাসমূহতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে। মাজুলীৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়াই জিলাখনত বিহুৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাইছে।

**বাইট**

০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবত কালি **প্ৰাক ভোগালী সাংবাদিকৰ আড্ডা** শীৰ্ষক এটা মনোগ্ৰাহী অনুষ্ঠান আয়োজিত হয়। অনুষ্ঠানত বহুকেইজন সাংবাদিকে নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। ইয়াৰ লগতে সাংবাদিকসকলে লোকনৃত্য, ঝুমুৰ আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। এই অনুষ্ঠানত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই সাংবাদিকসকলে কেইবাটাও গীত পৰিৱেশন কৰে। অনুষ্ঠানত সংগীত শিল্পী তৰালী শৰ্মা উপস্থিত থাকে। এই অনুষ্ঠানৰ পূৰ্বে বিয়লি আয়োজিত গুৱাহাটী প্ৰেছ ক্লাবৰ এই মাহৰ অতিথি শিতানত পাঁচবাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা বিজয়ী অভিনেত্ৰী সুহাসিনী মূলেই অংশগ্ৰহণ কৰে। গুৱাহাটী প্ৰেছ ক্লাবৰ তৰফৰ তেওঁক ফুলাম গামোচা, চেলেং, জাপি, শৰাই আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতাই আঁত ধৰা এই অনুষ্ঠানত অভিনেত্ৰীগৰাকীয়ে অসমীয়া ছবিত অভিনয় কৰাৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে।

০০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহান চিন্তাবিদ, দাৰ্শনিক স্বামী বিবেকানন্দৰ জন্মদিনত শ্ৰদ্ধা নিবেদন কৰিছে। ইপিনে বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ত অসমৰ পৰা নিৰ্বাচিত আৰিয়ান কাশ্যপ আৰু দীক্ষিতা চক্ৰৱৰ্তীক মুখ্যমন্ত্ৰী ড০ শৰ্মাই অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাত ৪ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাত আহোম সৈনিক আৰু আহোম ডা-ডাঙৰীয়াক লগত লৈ প্ৰতীকি স্বৰ্গদেউৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলন ঘটে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনৰ লগতে কেইবাগৰাকী বুৰঞ্জীবিদে অংশগ্ৰহণ কৰে। এই মহোৎসৱে চৰাইদেউৰ প্ৰতি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি তুলিছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত ৰাজ্যৰ বহুকেইজন কণ্ঠশিল্পীৰ লগতে নাগালেণ্ডৰ শিল্পীয়ে গীত পৰিৱেশন কৰে।

উল্লেখযোগ্য যে, চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে।

০০০০০০

কোকৰাঝাৰ আৰক্ষীয়ে কালি এজন অভিযুক্তক পলায়নৰ চেষ্টা কৰাৰ সময়ত গুলীচালনা কৰে। ভৰিত গুলীবিদ্ধ ৰফিকুল ইছলাম নামৰ অভিযুক্তজনক পৰৱৰ্তী সময়ত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আৰক্ষীয়ে জনোৱা অনুসৰি আদালতলৈ নিয়াৰ সময়ত জিলাখনৰ ৰাণীঘূলি এলেকাত অভিযুক্ত ইছলামে পলায়নৰ চেষ্টা কৰে। ইয়াৰ পাছতে আৰক্ষীয়ে ইছলামৰ ভৰিত গুলীয়ায়। উল্লেখযোগ্য যে মানসিকভাৱে বিকাৰগ্ৰস্ত এগৰাকী যুৱতীক আতিশায্য চলোৱাৰ অভিযোগত ইছলামক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০

গুজৰাটৰ বড়োডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত যোৱানিশা ভাৰতে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। ভাৰতে ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৯ অভাৰত ৬টা উইকেট হেৰুৱাই ৩০৬ ৰান কৰে। খেলৰ আৰম্ভণিতে অধিনায়ক ৰোহিত শৰ্মা মাত্ৰ ২৬ ৰান কৰি আউট হোৱাৰ পাছত বিৰাট কোহলি আৰু সুভমন গিলে সুন্দৰ বেটিঙেৰে ভাৰতক জয়ৰ দিশে লৈ যায়। বিৰাট কোহলিয়ে ৯৩, সুভমন গিলে ৫৬ আৰু শ্ৰেয়াৰ্ছ আয়াৰে ৪৯ ৰান কৰে। নিউজিলেণ্ডৰ কাইল জেমিছনে ৪টা উইকেট দখল কৰে। খেলখনত বিৰাট কোহলিয়ে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ২৮ হাজাৰ ৰান কৰা দ্ৰুততম বেটাৰ হিচাপে শচীন তেণ্ডুলকাৰৰ অভিলেখ ভংগ কৰে। কোহলি লগতে শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাক পিছ পেলাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ আটাইকেইটা ফৰমেটত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ হিচাপেও পৰিগণিত হয়।

ইয়াৰ পূৰ্বে, নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত অ'ভাৰত ৮টা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ডেৰিল মিছেলে ৮৪, হেনৰী নিকলছে ৬২ আৰু ডেভন কনৱেই ৫৬ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, হৰ্ষিত ৰাণা আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে।

oooooo

উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন, চাউল ৰপ্তানীৰে বিশ্বৰ শীৰ্ষত ভাৰত, ড০ বসন্ত কুমাৰ গোস্বামীক ৰংবং তেৰাং সমন্বয় বঁটা আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত বাতৰি হিচাপে প্ৰকাশ পাইছে।

পূৰ্বোত্তৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ **লাচিত ৰান**ৰ আজি উৎক্ষেপণৰ বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাহ জনগোষ্ঠীৰ সংৰক্ষিত পদত অধিকাংশ বিহাৰী মূলৰ প্ৰাৰ্থীয়ে নিযুক্তি লাভ কৰাক লৈ চাহ জনগোষ্ঠীয় সংগঠনসমূহৰ মাজত সন্দেহৰ সৃষ্টি হোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ঐতিহ্য-জনপ্ৰিয় সংস্কৃতিয়ে অসমীয়া সমাজক সমৃদ্ধ কৰি তোলা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চুতীয়া সংস্কৃতি আৰু জনগোষ্ঠীয় সন্মিলনত মন্তব্য কৰিছে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ।

ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে কালি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰাৰ বাতৰিটো দি আছাম ট্ৰিবিউন, আমাৰ অসম আৰু অন্যান্য বাতৰি কাকতসমূহেও প্ৰকাশ কৰিছে।

গুজৰাটৰ সোমনাথ স্বাভিমান পৰ্বত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতত গুৱাহাটীত কংগ্ৰেছৰ বিশাল যোগদানৰ কাৰ্যসূচীৰ এটা বাতৰি প্ৰকাশ কৰিছে। দি ছেণ্টিনেল কাকতত অসমত থকা বাংলাদেশী নাগৰিকক আটক কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কেতবোৰ ঠাইত কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**